بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জু’মা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ২৪ মাৰ্চত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

ইছলামৰ মনোৰম সৌন্দৰ্য্য জগত বাসীৰ দৃশ্যপটত তুলি ধৰা টোয়ে হ’ল আমি আহমদী সকলৰ কাম। হজৰত মছিহ মাওউদ (আঃ) ক আল্লাহ তায়লা এই উদ্দেশ্য সফলৰ বাবেই প্ৰেৰণ কৰিছে যে তেখেতক কৃতকাৰ্যতা দান কৰিব আৰু এতিয়া ইছলাম তেখেত (আঃ) ৰ জড়িয়তেই প্ৰচাৰ ওপ্ৰসাৰ হ’বলৈ আছে।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; যোৱা কালি ২৩ মাৰ্চ গুচি গল আৰু এই ২৩ মাৰ্চ জমাত আহমদীয়াৰ ইতিহাসত বৰ গুৰুত্ব পূৰ্ণ এটা দিন। কাৰণ উক্ত দিনতেই হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ) য়ে নিয়মিত বয়াতৰ জড়িয়তে জমাত আহমদীয়াৰ বুনিয়াদ ৰচনা কৰে। তেখেত (আঃ) য়ে উল্লেখ কৰে যে; আহিবলগীয়া মছিহ মাওউদ আৰু মেহেদী মাওউদ যাৰ অহাৰ সংবাদ আঁহজৰত (ছাঃ) য়ে প্ৰদান কৰিছিল সেই জন মই। তেখেত (আঃ) য়ে কৈছে যে; মোক এই কাৰণেই পঠোৱা হৈছে যাতে তৌহিদ প্ৰতিষ্ঠা কৰি মহুবতে ইলাহি হৃদয়ত জন্ম দিওঁ। তেখেত (আঃ) য়ে উল্লেখ কৰিছে যে; খোদা তায়লা বিচাৰে যে সেই সকল আত্মা (ৰোহ) বোৰক, যিবোৰ মাটিৰ বিভিন্ন বসতিস্থানত বাস কৰি আছে, সেয়া ইউৰোপ আৰু এচিয়া যিয়েই হওক, যি সকল পবিত্ৰ চৰিত্ৰৰ অধিকাৰী সকলোকে তৌহিদৰ ফালে টানি নিজৰ বান্দা সকলক এক ঈশ্বৰবাদ ধৰ্মৰ ওপৰত জমা কৰে। এয়াই হ’ল খোদা তায়লাৰ ইচ্ছা যাৰ বাবে মই পৃথিৱীত প্ৰেৰিত হৈছো। গতিকে তোমালোকে এই উদ্দেশ্যৰ আনুগত্য কৰা কিন্তু সেয়া নম্ৰতা আৰু পৱিত্ৰ চৰিত্ৰ আৰু দোৱাৰ ওপৰত প্ৰাধান্যতা ৰাখি কৰিব লাগিব।

আকৌ তেখেত (আঃ) য়ে কৈছে যে; এই স্থান আৰু মৰ্যদা আঁহজৰত (ছাঃ) ৰ আনুগত্য আৰু সত্য প্ৰেমৰ ফলস্বৰূপে মই লাভ কৰিছো। গতিকে গোটেই বিশ্বৰ বাবে এই সংবাদ থাকিল যে সেই ৰছুল (ছাঃ) ক ভাল পোৱা আৰু তেখেতৰ আনুগত্য কৰা। ইয়াৰ দ্বাৰা খোদা তায়লাৰ সৈতে সম্পৰ্ক গঠিত হ’ব আৰু প্ৰকৃত ভক্ত হ’ব পাৰিবা। তেখেত (আঃ) য়ে কয় যে; সকলো আদম সন্তানৰ বাবে এতিয়া মহম্মদ (ছাঃ) ৰ বাহিৰে আৰু কোনো ৰছুল বা শ্বাফায়তকাৰী নাই। গতিকে এই জালাল নবীৰ সৈতে প্ৰকৃত প্ৰেম গঢ়ি তুলিবলৈ চেষ্টা কৰা আৰু ইয়াৰ বাহিৰে অইন কাকো বেছি মৰ্যদা নিদিবা তেতিয়াহে আকাশত তুমি মুক্তি প্ৰাপ্ত বুলি লিপিবদ্ধ হ’বা। মনত ৰাখিবা যে মুক্তি তেনে কোনো বস্তু নহয় যে সেয়া মৃত্যুৰ পিছত পাব বৰং প্ৰকৃত মুক্তি হ’ল সেয়া যিয়ে এই পৃথিৱীতেই নিজৰ আলোক প্ৰদৰ্শন কৰে। মুক্তি প্ৰাপ্ত কোনে ? যিজনে বিশ্বাস ৰাখে যে খোদা সত্য আৰু মহম্মদ মোস্তফা (ছাঃ) তাৰ আৰু সকলো সৃষ্টিৰ মাজত যুগসুত্ৰৰ মাধ্যম। আকাশৰ তলত তেখত (ছাঃ) ৰ সম মৰ্যদাৰ আৰু আন কোনো ৰছুল নাই আৰু কোৰ’আন পাকৰ দৰে আন কোনো কিতাপ নাই। খোদা তায়লা বিচৰা নাই যে কোনো বাই সদায় জীৱিত থাকক কিন্তু এই মহা মহিম নবী সদায় প্ৰাণৱন্ত।

এয়া হ’ল আঁহজৰত (ছাঃ) ৰ সৈতে মৰ্যদা আৰু প্ৰেমৰ চানেকি যি তেখেত (আঃ) য়ে সদায় প্ৰকাশ কৰিছিল আৰু নিজৰ মান্যকাৰী সকলক এই কথাৰে শিক্ষা দিছিল যে তেওঁলোকেও এনে প্ৰেম আৰু মৰ্যদা নিজৰ সন্মুখত ৰাখিব লাগিব। বেঈমান হ’ল সেই লোক সকল যি সকলে কয় যে আহমদী সকলে (নাউজুবিল্লাহ) হজৰত মছিহ মাওউদ (আঃ) ৰ মৰ্যদাৰ তুলনাত আঁহজৰত (ছাঃ) ৰ মৰ্যদা কম কৰি পেলাইছে। আলজেৰিয়াত এনেকুৱা দোষাৰোপ আহমদী সকলক কৰা হৈ আছে আৰু যাৰ পৰিণতিত সিঁহতক কাৰাগাৰলৈ নিক্ষেপ কৰা হৈ আছে। ইমানেই যে সিহঁতে মহিলা সকলৰ ওপৰতও হস্তক্ষেপ কৰিবলৈ আৰম্ভ কৰিছে আৰু গোচৰ ৰুজু কৰিবলৈ লৈছে। কিন্তু তাৰে মহিলা সকলে মোক জনাই আছে যে আমালোকে হজৰত মছিহ মাওউদ (আঃ) ক মানি লৈছো, যাৰ দ্বাৰা প্ৰকৃত তৌহিদ আৰু আঁহজৰত (ছাঃ) ৰ পদ মৰ্যদা আৰু তেখেত (ছাঃ) ৰ প্ৰতি ভাল পোৱা, প্ৰেমৰ অৰ্থ বুজি পাইছো। আমি কেনেকৈ নিজৰ ঈমান এৰি দিব পাৰিম। যেতিয়া আমি দোৱা কৰো যে হে ! আল্লাহ তায়লা আহমদীসকলৰ বাবে শান্তিৰ বাতাবৰণ সৃষ্টি কৰা তেতিয়া আমাৰ এই দোৱাও হয় যে হে !

আল্লাহ তায়লা প্ৰত্যেক মুছলমানক আঁহজৰত (ছাঃ) ক সত্য প্ৰাণ দাসক মান্য কৰাৰ সামৰ্থ্য দান কৰক। যিজন আল্লাহ তায়লাৰ প্ৰতিশ্ৰুতি অনুসৰি তৌহিদ প্ৰতিষ্ঠাৰ্থে আৰু ইছলামৰ দ্বিতীয় নিদৰ্শন হিচাপে আহিছিল। আল্লাহ তায়লাৰ প্ৰতি প্ৰেম আৰু তৌহিদ প্ৰতিষ্ঠাৰ্থে তেখেত (আঃ) ৰ যি আবেগ আছিল তাৰ এটা নিদৰ্শন তলত উল্লেখিত তেখেতৰ মুখৰ শব্দবোৰৰ পৰা পাব পাৰি। তেখেত (আঃ) য়ে আল্লাহ তায়লাক উদ্দেশ্যই কৈছে যে; চোৱা ! মোৰ প্ৰাণ অতি বিশ্বাসৰ সৈতে তোমালৈ উৰা সাৰিছে যেনেকৈ চৰাইয়ে সিহঁতৰ বাঁহলৈ উৰি যায়। গতিকে মই তোমাৰ কুদৰতৰ নিদৰ্শন বিচাৰিছো কিন্তু নিজৰ বাবে নহয় আৰু নিজৰ সন্মানৰ কাৰক হিচাপে নহয় বৰং সেই বাবে যাতে লোকে তোমাক চিনি পায় আৰু তোমাৰ পৱিত্ৰ পথ অৱলম্বন কৰে আৰু তুমি যাক পঠাইছা তাক মিছলীয়া সাব্যস্ত কৰি হিদায়েতৰ পৰা যেন আঁতৰি নপৰে। মই সাক্ষ্য প্ৰদান কৰো যে তুমি মোক পঠাইছা আৰু মোৰ সপক্ষে ডাঙৰ ডাঙৰ নিদৰ্শন প্ৰকাশ কৰিছা। ইমানেই যে চন্দ্ৰ-সুৰ্য্যক আদেশ দিছা যে ভৱিষ্যত বাণী অনুযায়ী ৰমজান মাহ নিৰ্দিষ্ট তাৰিখত গ্ৰহণ লাগিব লাগে। মই তোমাক চিনি পাইছো যে তুমিয়ে মোৰ খোদা সেয়া মোৰ প্ৰাণ তোমাৰ নামত এনেকুৱা আনন্দিত যেনেকৈ পিয়াহ খোৱা কেচুৱাই মাকক দেখিলে আনন্দিত হয়। কিন্তু বেছি সংখ্যাক লোকে চিনি পোৱা নাই, গ্ৰহনও কৰা নাই। উক্ত কথা খিনিৰ পৰা তেখেত (আঃ) ৰ খোদা প্ৰেম আৰু খোদাৰ মহানতা প্ৰতিষ্ঠাৰ প্ৰতি ব্যাকুলতা দেখিবলৈ পোৱা যায়। তেনেদৰে মানৱতা ৰক্ষাৰও ব্যাকুলতা প্ৰকাশ পাইছে। তেখেত (আঃ) ৰ হৃদয়ত এনে ব্যাকুলতা আছিল যে যাতে আল্লাহ তায়লাৰ প্ৰতি প্ৰেম ভালপোৱাৰ মাদকতা বেলেগৰ অন্তৰতও জন্ম লওঁক। এই বিষয়ে তেখেত (আঃ) য়ে কৈছে যে; কিমানেই দুৰ্ভগীয়া সেই জন মানুহ, যিজনে এতিয়াও বুজি পোৱা নাই যে তাৰ এজন খোদা আছে, যিয়ে প্ৰত্যেক বস্তুৰ ওপৰত ক্ষমাতাশালী, আমাৰ খোদা আমালোকৰ বেহেস্ত। আমাৰ চৰম পৰিতৃপ্তি আমালোকৰ খোদাৰ মাজত, কাৰণ মই তাক দেখিছো, আৰু সকলো প্ৰকাৰৰ সৌন্দৰ্য্য তাৰ মাজত পাইছো। এই ধন গ্ৰহন যোগ্য যদিও প্ৰাণৰ বিনিময়ত অৰ্জন হয় আৰু এই মনিক্য কিনাৰ যোগ্য যদিও নিজকে সম্পূৰ্ণ ৰূপে হেৰাই পেলাই অৰ্জন কৰিব পৰা যায়। হেৰা ! দুৰ্ভগীয়া সকল ! এই নিজৰাৰ ফালে দৌৰি আহা। এওঁ তোমালোকক পৰিতৃপ্ত কৰিব, এয়া হ'ল জীৱণ, প্ৰাণৰ নিজৰা যিয়ে তোমালোকক বচাঁব। মই কি কৰিম আৰু কেনেকৈ এই সুসংবাদ লোকৰ হৃদয়ত বহাই দিওঁ। কেনেকুৱা কণ্ঠস্বৰত মই বজাৰত ঘোষণা কৰো যে এইজনা হ'ল তোমালোকৰ খোদা, যাতে মানুহে শুনিবলৈ পায়, আৰু কি ঔষধৰ হতুৱাই চিকিৎসা কৰো যাতে শুনা পাবলৈ লোকৰ কাণ উন্মোক্ত হয়।

কিমানেই বেদনা সিক্ত এই শব্দবোৰ কব পাৰি যে প্ৰত্যেক শব্দৰ মাজতেই বেদনাৰ শাখা, প্ৰশাখা যেন লুকাই আছে। প্ৰত্যেক শব্দৰেই কেইবাটাও কৈ স্তৰ আছে, প্ৰত্যেক স্তৰ যেন বেদনা পূৰ্ণ আৰু তাৰ গভীৰতাত প্ৰত্যেকেই নিজৰ এটা ভাৱ আৰু চিহ্ন বহন কৰিব পাৰিছে।

তেখেত (আঃ) য়ে কৈছে যে যদি খোদা তায়লাৰ হৈ যোৱা তেন্তে নিশ্চয় ধৰি লোৱা যে খোদা তায়লাৰেই। তুমি শুই থাকিলে খোদা তোমাৰ বাবে সাৰে থাকিব, তুমি শত্ৰুলৈ সাৱধান নাথাকিলে, খোদা সেয়া দেখি থাকিব আৰু তাৰ ষড়যন্ত্ৰ প্ৰতিহত কৰিব। তুমি এতিয়াও নেজানা যে তোমাৰ খোদাৰ মাজত কেনে শক্তি নিহিত আছে। যদি তুমি জানিলা হেতেন তেন্তে তোমাৰ এনে কোনো এটা দিন নাহিল হেতেন যে তুমি জগতৰ বাবে গভীৰ চিন্তাত নিমগ্ন থাকিলাহেতেন। গতিকে এয়া হ'ল খোদা তায়লাৰ সৈতে সম্পৰ্ক, যি আমি অৰ্জন কৰিব লাগিব আৰু প্ৰতিষ্ঠা কৰিব লাগিব। যিবোৰ তেখেত (আঃ) য়ে নিজৰ মান্যকাৰী সকলৰ পৰা বিচাৰিছে। উল্লেখ কৰিছে যে; তোমালোকৰ যদি চকু আছে তেন্তে, দেখিবলৈ পাবা যে খোদায়ে খোদা আৰু সকলো নিৰৰ্থক। তৌহিদ প্ৰতিষ্ঠা আৰু ইছলামৰ দ্বিতীয় অভ্যুত্থানৰ কাম তেখেত (আঃ) য়ে আঁহজৰত (ছাঃ) ৰ আনুগত্য আৰু প্ৰেম ভালপোৱাৰ ফলত লাভ কৰিছে। উক্ত প্ৰেম ভালপোৱাৰ নিদৰ্শন তেখেত (আঃ) ৰ ব্যাক্তিত্বৰ কেনেদৰে দেখিবলৈ পোৱা যায় তাৰ বহুত ঘটনাৰ উল্লেখ আছে।

এঠাইত ইছলাম বিৰুধী সকলে আঁহজৰত (ছাঃ) ক হাঁহি ঠাট্টা কৰা কথা বতৰা শুনা পাই তেখেত (আঃ) য়ে নিজৰ হৃদয়ৰ অৱস্থা বৰ্ণাবলৈ গৈ কৈছে যে; মোৰ হৃদয়ত কোনো বিষয়ে কেতিয়াও ইমান দুখ দিব পৰা নাই, যিমান তেওঁলোকৰ হাঁহি ঠাট্টায় মোক দুখ দিছে, যি তেওঁলোকে আমাৰ ৰছুলে কৰিম (ছাঃ) ৰ মৰ্যদা সম্পৰ্কে কৰিছে। তেওঁলোকৰ এই আচৰণে মোৰ হৃদয় ঘাইল কৰি পেলাইছে। খোদা তায়লাৰ শপত লৈছো, যদি মোৰ সকলো সন্তান, আৰু সন্তানৰ সন্তান আৰু মোৰ সকলো বন্দু আৰু মোৰ সকলো সহায় কৰোঁতা সকলক মোৰ চকুৰ আগত নিহত কৰা হয় আৰু মোৰ নিজৰ হাত ভৰি কাটি দিয়া হয় আৰু মোৰ চকুৰ মনি উলিয়াই দলিয়াই পেলোৱা হয় আৰু মোক নিজৰ সকলো ইচ্ছা আশাৰ পৰা বঞ্চিত কৰা হয় আৰু মোৰ সকলো আনন্দ আৰু সকলো সা-সুবিধা হেৰাই পেলাও তেন্তে এই সকলোবোৰ কথাৰ তুলনাত মোৰ বাবে এই

বেদনা বেছি কষ্ট দায়ক যে ৰছুলে কৰিম (ছাঃ) ৰ ওপৰত এনেকুৱা অপৱিত্ৰ আক্ৰমন চলায়।

এনে কোনোবা আছেনে যে এনেদৰে আবেগ প্ৰকাশ কৰে ? প্ৰেম ভাল পোৱাৰ দাবী বহুতেই কৰিব পাৰে। ৰছালত আৰু খাতামে নবুয়তৰ নামত দাঙ্গা-ফছাদ হত্যা-লুণ্ঠন, কৰোতা বহুত লোক আছে কিন্তু আঁহজৰত (ছাঃ) ৰ মৰ্যদা আৰু স্থান জগত বাসীক মানি লবলৈ কি চেষ্টা কৰিছে ? ইছলাম আৰু কোৰ'আন কৰিম পৃথিৱীত বিস্তাৰ কৰিবলৈ কি চেষ্টা কৰিছে ? তেখেত (আঃ) ৰ শব্দ বোৰ কেৱল মৌখিক দাবী নহয় বৰং তেখেতৰ লগত সম্পৰ্কও আছে আৰু বেলেগেও এই কথাৰ সাক্ষী দিয়ে যে তেখেত (আঃ) ৰ আঁহজৰত (ছাঃ) ৰ সৈতে প্ৰেম ভালপোৱাৰ বহিঃ প্ৰকাশ তেখেতৰ হৃদয়ৰ বিননি, তেখেতৰ প্ৰত্যেক কাৰ্য্যৰ দ্বাৰা প্ৰমানিত হয়। গতিকে তেখেত (আঃ) য়ে ইছলামক আল্লাহ তায়লাৰ শেষ আৰু সুগঠিত আৰু আঁহজৰত (ছাঃ) ৰ প্ৰেমৰ জড়িয়তে নিজৰ স্থান আৰু মৰ্যদা মানি লোৱাবলৈ চেষ্টা কৰিছে। জগতক আৰু গোটেই ধৰ্ম বিলাকৰ ওপৰত স্পষ্ট কৰি দেখুৱাইছে যে দ্বীনে মহম্মদ (ছাঃ) ৰ দৰে আৰু কোনো ধৰ্ম নাই। সমালোচক সকলে তেখেত (আঃ) ৰ ৰছুল প্ৰেমৰ ভাষ্যসমুহ পঢ়ি চাই চিন্তা কৰক নহলে কেৱল সমালোচনাৰ পিছত সমালোচনা দেখোন মুৰ্খতাৰ চিহ্ন। তেখেত (আঃ) য়ে এজন আনুগত্যশীল ভক্ত আৰু দয়া ভিক্ষাৰী সেৱকৰ দৰে সদায় কৈছিল যে; এই সকলোবোৰ মই মোৰ প্ৰাণাধিক হজৰত মহম্মদ ৰছুল (ছাঃ) ৰ মাধ্যমত, তেখেত (ছাঃ) ৰ আনুগত্যৰ বলত লাভ কৰিছো। এনেদৰে আন এঠাইত উল্লেখ কৰিছে যে; যদি মই আঁহজৰত (ছাঃ) ৰ উম্মত নহলোহেঁতেন আৰু তেখেত (ছাঃ) ৰ দাসত্ব নকৰিলোহেতেন তেন্তে যদি মোৰ আমল পৃথিৱীৰ সকলো পাহাৰ সমহলেও মই কেতিয়াও এনে বাক্যালাপৰ (আল্লাহ তায়লাৰ সৈতে) সৌভাগ্য লাভ কৰিব নোৱাৰিলো হেঁতেন।

এনেবোৰ কথা শুনাৰ পিছতো যিজনে হজৰত মছিহ মাওউদ (আঃ) ক আওহেলা আৰু সমালোচনা কৰে তেওঁ বেঈমান আৰু মূৰ্খ আৰু বিবাদ প্ৰিয় লোক, ইয়াৰ বাহিৰে আৰু কবলৈ একো নাই। যি সকলে ডাঙৰ ডাঙৰ আলিম হৈ বহি আছে তেওঁলোকৰ বিষয়টো আল্লাহ তায়লাৰ ওপৰত এৰি দিয়া হ'ল। হজৰত মছিহ মাওউদ (আঃ) ৰ আৰ্বিভাৱৰ উদ্দেশ্য য'ত তৌহিদ প্ৰতিষ্ঠা আৰু আঁহজৰত (ছাঃ) ৰ মৰ্যদা প্ৰকাশ কৰি জগত বাসীক তেখেত (ছাঃ) ৰ পতাকা তলত লৈ অনা আদিৰ লগত ইবাদতৰ হ'ক আদায় আৰু আল্লাহ তায়লাৰ সৃষ্টি জীৱৰ ওপৰত দয়াৰ শিক্ষা দিয়াও ৰৈ আছে। গতিকে তেখেত (আঃ) য়ে চৰ্ত বয়াতৰ ৪ নম্বৰত উল্লেখ কৰিছে যে আল্লাহৰসমুহ সৃষ্টি আৰু বিশেষকৈ মুছলমান সকলক প্ৰবৃত্তিৰ আবেগত কোনো জীৱকেই নাজায়েজ কষ্ট নিদিওঁ। আকৌ ৯ নম্বৰ চৰ্তত উল্লেখ কৰিছে যে আল্লাহ তায়লাৰ সমুহ সৃষ্টি জীৱৰ প্ৰতি আল্লাহ তায়লাৰ বাবেই সহায়-সহানুভূতি আগবঢ়োৱাত ব্যাস্ত থাকিম। যিমানদুৰ সম্ভৱ খোদা প্ৰদত্ত শক্তি আৰু নিয়ামতৰ জৰিয়তে মানৱ জাতিৰ কল্যাণ সাধন কৰিম। এনেদৰে ইছলামী শিক্ষাৰ বিষয়ে উল্লেখ কৰিবলৈ গৈ তেখেত (আঃ) য়ে কৈছে যে; ধৰ্মৰ দুটা শাখা আছে- এটা খোদা তায়লাৰ প্ৰতি প্ৰেম আনটো মানৱ প্ৰেম অৰ্থাৎ এনে প্ৰেম যে সিহঁতৰ বিপদক নিজৰ বিপদ বুলি ভৱা আৰু সিহঁতৰ বাবে দোৱা কৰা।

এঠাইত উল্লেখ কৰিছে যে; মই সকলো মুছলমান, ঈছাই, হিন্দু আৰু আঁৰিয়া সকলক ক'ব বিচাৰো যে কোনেও মোৰ শত্ৰু নহয়। মই মানৱ জাতিৰ প্ৰতি এনেকুৱা প্ৰেম ভালপোৱা ৰাখো যেনে দয়ালু মাকে নিজৰ সন্তানৰ প্ৰতি ৰাখে। মই কেৱল সেইবোৰ অমুলক ভিত্তিহীন বিশ্বাস সমুহৰ শত্ৰু যিয়ে সত্যক হত্যা কৰে। মানৱৰ প্ৰতি সহানুভূতি কৰা মোৰ ফৰজ আৰু মিছা, অংশীবাদিতা, জুলুম, বেয়া কাম, অন্যায় আৰু কুচৰিত্ৰৰ প্ৰতি ঘৃণা মোৰ নীতি। এই কথাবোৰ কেৱল লিখি ৰাখিবলৈ তেখেত (আঃ) য়ে লিখা নাই অথবা কেৱল দাবী কৰা নাই যে মানবৰ প্ৰতি ভালপোৱা ৰাখো। ইয়াৰ কাৰ্য্যতঃ বহিঃ প্ৰকাশ তেখেত (আঃ) ৰ জীৱণত আমি দেখিবলৈ পাওঁ। তেখেত (আঃ) য়ে খোদা তায়লাৰ সৃষ্টি জীৱৰ বাবে তাওনৰ (বেমাৰ) পৰা মুক্তি পোৱাৰ বাবে দোৱা কৰিছিল যে হে ! ইলাহি যদি এই লোক সকল তাওনৰ আঘাবত ধ্বংস হৈ যায় তেন্তে তোমাৰ উপাসনা কোনে কৰিব। যদিও তাওন তেখেত (আঃ) ৰ সত্যতাৰ নিদৰ্শন আছিল। হজৰত মছীহ মাওউদ (আঃ) ৰ কণ্ঠত এনে বেদনা আৰু দুখ নিহিত আছিল যে শ্ৰৱণকাৰী সকলৰ হৃদয় বিগলিত হৈ পৰিছিল।

এয়া চিন্তা কৰিব লগীয়া বিষয় যে এফালে ভৱিষ্যত বানী অনুসৰি বিৰুদ্ধবাদী সকলৰ ওপৰত শাস্তি অৱতীৰ্ণ হৈছিল কিন্তু আন ফালে তেখেত (আঃ) য়ে সেয়া দুৰীভূত হ'বলৈ প্ৰাৰ্থনা কৰিছে। মৌলবী মহম্মদ হোছেন বটালবী যি জনে চৰম বিৰুধীতা কৰি হজৰত মছিহ মাওউদ (আঃ) ৰ ওপৰত কুফৰ ফতোৱা জাপি দিয়ে আৰু (নাউজুবিল্লাহ) দাজ্জাল আখ্যা দিয়ে। গোটেই দেশতেই তেখেত (আঃ) ৰ বিৰুদ্ধে ঘৃণা আৰু শত্ৰুতাৰ জুই জ্বলাই দিয়ে। কিন্তু এটা মোকাদ্দমাত উকিল চাহাবে যেতিয়া তেখেত (আঃ) ক মহম্মদ হোছেন বাটালবী চাহাবৰ বংশৰ বিষয়ে কিছুমান ঠাট্টামুলক প্ৰশ্ন কৰিব বিচাৰে তেতিয়া

তেখেত (আঃ) য়ে সেয়া বন্ধ কৰি দিয়ে। উকিল মৌলবী ফজল দ্বীন চাহাব এজন অ-আহমদী লোক আছিল তেওঁ কৈছে যে মির্জা চাহাব বৰ আচৰিত ধৰণৰ মানুহ। আচৰ্য্যজনক চৰিত্ৰৰ গৰাকী অৰ্থাৎ এজনে তাৰ প্ৰাণৰ ওপৰত, সন্মানৰ ওপৰত আক্ৰমণ চলায় তাৰ উত্তৰত যেতিয়া শত্ৰুৰ সাক্ষ্য দুৰ্বল কৰাৰ বাবে সেইজনক প্ৰশ্ন কৰা হয় তেতিয়া মিৰ্জা চাহাবে তাত বাধা দিয়ে আৰু কয় যে মই এনেকুৱা প্ৰশ্ন কৰাৰ অনুমতি নিদিওঁ।

যিয়েই নহওক এটা উদাহৰণ এয়া যে; তেখেত (আঃ) ৰ মিচন নিচ্ছিন্ন কৰাৰ বাবে বহুত মুছলমান উলামা সকলে চেষ্টা কৰিছে, অসংখ্য নামধাৰী উলামা সকলে তেখেত (আঃ) ৰ বিৰুদ্ধাচৰণ কৰি কুফৰ ফতোৱা জাপি দিয়ে আৰু এতিয়া লৈকেও জাপি দি আছে। যাৰ ফলত পৃথিৱীৰ বিভীন্ন মুছলমান দেশত এতিয়াও আমালোকৰ বিৰুধীতা চলি আছে। কিন্তু আমি হজৰত মছিহ মাওউদ (আঃ) ৰ শিক্ষাৰ প্ৰভাৱত আজিও সেই বিৰুদ্ধবাদী সকলৰ উত্তৰ দিয়াৰ ক্ষেত্ৰত তেওঁ লোকৰ বিৰুদ্ধে আমালোকৰ চাৰিত্ৰিক বৈশিষ্ট আৰু মানদণ্ড এৰি নিদিওঁ আৰু আইন হাতত তুলি নলওঁ। হায় ! তেওঁলোকে যদি বুজি পালেহেতেন যে এই যুগৰ ন্যায় বিচাৰক আৰু মছিহ-ও-মাহদী হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ) য়েই হয় আৰু ইছলামৰ প্ৰচাৰ লগতে তৌহিদ প্ৰতিষ্ঠা আৰু আঁহজৰত (ছাঃ) ৰ প্ৰকৃত হুকুমত, যি হৃদয়ত প্ৰতিষ্ঠা হ'বলৈ আছে সেয়া হজৰত মছিহ মাওউদ (আঃ) ৰ জৰিয়তেহে হ'ব আৰু তেখেত (আঃ) ৰ দ্বাৰা প্ৰতিষ্ঠিত জমাতৰ দ্বাৰা প্ৰতিষ্ঠা হ'বলৈ আছে। সেয়া কোনো তৰোৱাল নাইবা বন্দুক, বা কোনো শক্তি দ্বাৰা অথবা আতংক বিস্তাৰৰ জৰিয়তে অথবা ইছলামৰ নামত নিপীড়িত সকলক হত্যা কৰি নহয়।

গতিকে এনে অৱস্থাত আমি আহমদী সকলৰ কাম হ'ল যেনেকৈ মই আগতেও কৈছো আৰু সদায় কৈ থাকো যে ইছলামৰ মনোৰম সৌন্দৰ্য্য জগতবাসীৰ দৃশ্যপটত তুলি ধৰিব লাগিব। আহমদীয়তৰ বিৰুদ্ধবাদী সকলে আহমদীয়তৰ একো ক্ষতি কৰিব নোৱাৰে। হজৰত মছিহ মাওউদ (আঃ) ক আল্লাহ তায়লা এই উদ্দেশ্য সফল বাবেই প্ৰেৰণ কৰিছে যে তেখেতক কৃতকাৰ্য্যতা দান কৰিব আৰু এতিয়া ইছলাম তেখেত (আঃ) ৰ জৰিয়তেই প্ৰচাৰ ও প্ৰসাৰ লাভ কৰিবলৈ আছে।

হজৰত মছিহ মওউদ (আঃ) য়ে কৈছে যে; মই এটা বীজ বপন কৰিবলৈ আহিছো সেয়ে মোৰ হাতেৰে সেই বীজ বপন কৰিছো আৰু এতিয়া সেয়া বাঢ়িব আৰু ফুলে ফলে জাতিস্কাৰ হ'ব আৰু কোনেও নাই যে সেয়া প্ৰতিৰোধ কৰিব পাৰিব। আল্লাহ তায়লাহৰ মছিহয়ে বপন কৰা গুটিৰ পাতি পুলি আল্লাহ তায়লাৰ কৃপাত ফুলে-ফলে জাতিস্কাৰ হ'বলৈ লৈছে। আমি যদি তাৰ সেউজ ডাল পাত হ'ব বিচাৰো তেন্তে আমাৰ কাম হ'ল যে আমি আল্লাহ তায়লাৰ প্ৰতি প্ৰেম ভাল পোৱা আৰু আঁহজৰত (ছাঃ) ৰ সৈতে প্ৰেম আৰু নিজৰ আমল লগতে মানৱ জাতিলৈ সহানুভূতি আৰু ভালপোৱা এনেদৰে গঠিত কৰিব লাগিব যে সেয়া যেন আমালোকৰ কাৰ্য্যৰ মাজেদি প্ৰস্ফুটিত হয়। আল্লাহ তায়লা আমালোকক ইয়াৰ বাবে সামৰ্থ দান কৰক। আমিন

*********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 24 March 2017**

**BOOK POST (PRINTED MATTER)**

**To**

______________________________

______________________________

______________________________

From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890